গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

# গৃহপঞ্জী

## দ্বিতীয় যান্মাসিক

## অসমীয়া স্নাতকোত্তৰ, শৈক্ষিক বৰ্ষঃ ২০২৪-২৫ (জানুৱাৰী)/২০২৫-২৬ (জুলাই-আগষ্ট)

নিৰ্দেশাৱলীঃ—

(১) কেৱল ২০২৪-২৫ (জানুৱাৰী)/২০২৫-২৬ (জুলাই-আগষ্ট) শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে গৃহপঞ্জী লিখিব।

(২) শিক্ষাৰ্থীসকলে নিজৰ ৰোল নং, জি. ইউ. পঞ্জীয়ন নম্বৰ, বিষয়, যান্মাসিক, পাঠ্যবিষয়ৰ শিৰোনাম, কাকত নং আৰু অধ্যয়ন কেন্দ্ৰৰ নাম উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

(৩) গৃহপঞ্জীৰ ফৰ্মেটটো GUCDOE ৱেবছাইটত উপলব্ধ। শিক্ষাৰ্থীসকলে সেই ফৰ্মেটটো ডাউনলোড কৰি তাতেই উত্তৰ প্ৰস্তুত কৰিব লাগিব।

(৪) প্ৰতিখন কাকতৰ বাবে দুটা বাধ্যতামূলক প্ৰশ্ন থাকিব। দুয়োটা প্ৰশ্নৰ বাবে এটাকৈ বিকল্প থাকিব। প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ১০। (মুঠ নম্বৰঃ ২ টা প্ৰশ্ন × ১০ নম্বৰ = ২০ নম্বৰ)

(৫) টাইপিং অথবা কম্পিউটাৰাইজ্ উত্তৰ বহী গ্ৰহণ কৰা নহ'ব। শিক্ষাৰ্থীসকলে নিজ হাতে লিখা উত্তৰ বহী জমা দিব লাগিব।

(৬) ১০ নম্বৰৰ বাবে প্ৰতিটো প্ৰশ্নোত্তৰ ৪০০ শব্দৰ ভিতৰত হ'ব লাগিব।

(৭) উত্তৰ লিখনত অন্য উৎসৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে হুবহু প্ৰশ্নোত্তৰ লিখাটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।

(৮) GUCDOE-ৰ অধীনত বিভিন্ন Study Centre-ৰ শিক্ষাৰ্থীসকলে নিজ নিজ অধ্যয়ন কেন্দ্ৰত গৃহপঞ্জী জমা দিয়াটো বাধ্যতামূলক।

(৯) GUCDOE কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে GUCDOE কাৰ্যালয়ত নিজৰ গৃহপঞ্জী জমা দিব।

(১০) **গৃহপঞ্জীৰ জমা দিয়াৰ অন্তিম তাৰিখ ২৭ এপ্ৰিল, ২০২৬।**

---

## পাঠ্যবিষয় ঃ ASM-2016 (অসমীয়া কবিতা (১৮৮৯-২০১৫))

**১ নং প্ৰশ্নঃ** অসমীয়া ৰোমান্টিক কবিতা বুলিলে কি বুজে? অসমীয়া ৰোমান্টিক কবিতাৰ ইতিহাসত চন্দ্ৰকুমাৰ আগৰৱালাৰ ভূমিকাৰ বিষয়ে লিখক। ১০

*অথবা*

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা যুগুত কৰক। ১০

**২ নং প্ৰশ্নঃ** হেমচন্দ্ৰ গোস্বামীৰ পৰিচয় দাঙি ধৰি তেওঁৰ কবিতাৰ এটি সামগ্ৰিক পৰ্যালোচনা আগবঢ়াওক। ১০

*অথবা*

লক্ষ্মীনাথ বেজবৰুৱাৰ 'মালতী' কবিতাটিত ৰোমান্টিক কবিতাৰ বৈশিষ্ট্যসমূহ কেনেদৰে ফুটি উঠিছে ফঁহিয়াই দেখুওৱাক। ১০

## পাঠ্যবিষয় ঃ ASM-2026 (অসমীয়া গদ্য (১৮৪৬-২০১৫))

**১ নং প্ৰশ্নঃ** অসমীয়া গদ্যৰ জন্ম আৰু বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰক। ১০

*অথবা*

জতুৱা ঠাঁচ, ফকৰা-যোজনা, পটন্তৰ আদিৰ প্ৰয়োগে বেজবৰুৱাৰ গদ্যক কেনেদৰে প্ৰভাৱিত কৰিছে আলোচনা কৰক। ১০

**২ নং প্ৰশ্নঃ** 'শব্দ ব্যৱহাৰ, বাক্য প্ৰয়োগ, অলংকাৰ, প্ৰকাশভংগী আদিৰ বৈশিষ্ট্যৰ ফলত কাকতিৰ গদ্যই সুকীয়া ৰূপ লাভ কৰিছে।' পাঠ্যক্ৰমৰ অন্তৰ্গত বাণীকান্ত কাকতিৰ 'সৌন্দৰ্যৰ প্ৰতাৰণা' নামৰ পাঠটিৰ আলমত কথাষাৰ প্ৰতিপন্ন কৰক। ১০

*অথবা*

অতুল চন্দ্ৰ বৰুৱাৰ 'সমাজ, কৃষি আৰু গাঁৱৰ ইতিবৃত্ত' পাঠটিৰ গদ্যৰীতি বিশ্লেষণ কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-2036 (অসমীয়া নাটক আৰু পৰিবেশন কলা (১৮৫৭-২০১৫))

**১ নং প্ৰশ্নঃ** আধুনিক অসমীয়া অপেছাদাৰী নাটকৰ গতি-প্ৰকৃতি নিৰ্ণয় কৰক। ১০

*অথবা*

'বঙাল-বঙালনী' নাটকখনৰ বিষয়বস্তু বিশ্লেষণ কৰক। ১০

**২ নং প্ৰশ্নঃ** 'কাৰেঙৰ লিগিৰী' নাটকখনিক জ্যোতিপ্ৰসাদ আগৰৱালাৰ শ্ৰেষ্ঠ নাটক বুলি কিয় কোৱা হয়। বিচাৰ কৰক। ১০

*অথবা*

আধুনিক অসমীয়া নাটকত ব্ৰেখটীয় প্ৰভাৱ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-2046 (ভাৰতীয় সাহিত্য সমালোচনা)

**১ নং প্ৰশ্নঃ** শব্দশক্তি বুলিলে কি বুজায়? শব্দশক্তিৰ প্ৰকাৰবোৰ আলোচনা কৰক। ১০

*অথবা*

আনন্দবৰ্দ্ধনৰ ধ্বনিবাদ সম্পৰ্কে এটি টোকা যুগুত কৰক। ১০

**২ নং প্ৰশ্নঃ** ৰসৰ সংজ্ঞা লিখি ৰস কেইপ্ৰকাৰ আৰু কি কি প্ৰত্যকৰে উদাহৰণসহ চমু পৰিচয় দিয়ক। ১০

*অথবা*

কাব্যৰ গুণসমূহৰ বিষয়ে বহলাই আলোচনা কৰক। ১০

—×—